পাঠ ১৩

# কামৰ সৰু-বৰ নাই

‘ধৰ ধৰ, পাৰিবি, উঠিল, দে দে, বল দে’— ঘোঁৰাত উঠি অহা মানুহজনে কথাখিনি শুনি থমকি ৰ’ল। তেওঁ দেখিলে চিপাহী কেইজনমানে কেঁকো-জেকোকৈ লোৰ চতি এটা দাঙিবলৈ চেষ্টা কৰি আছে। তেওঁলোকে চতিটো খুঁটা এটাৰ মূৰত তুলিব। বৰমূৰীয়া জমাদাৰ চাহাব এজনে আদেশ দি আছে।



ঘোঁৰাত উঠি থকা মানুহজনে কিছুপৰ ঘটনাটো চাই থাকিল। জমাদাৰ চাহাবে আকৌ আদেশ দিলে— “পাৰিবিহঁক, দে বল দে, এই উঠিল।” কিন্তু কি হ’ব, চিপাহী কেইজনৰ শক্তিয়ে আঁটিলেহে! তেওঁলোকে চতিটো তুলিবলৈ বাৰে বাৰে চেষ্টা কৰি লেবেজান হৈ পৰিল।

মানুহজনে আৰু চাই থাকিব নোৱাৰিলে। তেওঁ জমাদাৰজনক ক’লে, “চিপাহীকেইজনে চতিটো তুলিব পৰা নাই। আপুনি অলপ হাত-উজান দিলেই দেখোন চতিটো ওপৰলৈ উঠে।” মানুহজনৰ কথাত জমাদাৰ চাহাবৰ খঙে চুলিৰ আগ পালেগৈ। তেওঁ হুঁটা মাতেৰে ক’লে, “মই হ’লোঁ বিষয়া, এজন জমাদাৰ; মোৰ কিবা মান-সন্মান নাইনে যে মই চিপাহীকেইটাৰ লগত চতিটো দাঙিম? ইহঁতৰ কাম চাবলৈহে মোক ৰাখিছে। ইহঁতৰ লগত কাম কৰিবলৈ ৰখা নাই নহয়।” মিচিকিয়া হাঁহিৰে সেই মানুহজনে ক’লে— “মই নাজানিহে তেনেকৈ কৈছিলোঁ জমাদাৰ চাহাব, দায়-দোষ নধৰিব।” এইবুলি তেওঁ ঘোঁৰাৰ পৰা নামি টুপীটো আৰু চোলাটো সোলোকাই থ’লে। তাৰপাছত চিপাহী কেইজনক

চতিটো দঙাত সহায় কৰিলে। মানুহজনৰ এককণ সহায়ৰ বলত চিপাহী কেইজনে চতিটো খুঁটাৰ মূৰত তুলিবলৈ সক্ষম হ'ল।



মানুহজনে টুপীটো আৰু চোলাটো পিন্ধি ঘোঁৰাত উঠি যাবলৈ ওলাল। যাবৰ সময়ত জমাদাৰ চাহাবক ক'লে— "জমাদাৰ চাহাব! আগলৈ এনেধৰণৰ কাম কৰিবলগীয়া হ'লে মোক মাতিব পাৰে। মই প্ৰধান সেনাপতি হৈও এনেধৰণৰ কাম কৰিবলৈ অকণো বেয়া নাপাওঁ। নমস্কাৰ।"

মানুহজনক প্ৰধান সেনাপতি বুলি জানি জমাদাৰ চাহাব সৰগ পৰা মানুহৰ দৰে থৰ হৈ ৰ'ল। তেওঁ বৰ লজ্জিত আৰু শংকিত হ'ল।

কাম কৰিবলৈ কুণ্ঠাবোধ নকৰা এই মহান লোকজন কোন জানানে? তেৱেঁই হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি জৰ্জ ৱাছিংটন। তেওঁৰ ভেম, অহংকাৰ সমূলি নাছিল। একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমৰ বলত তেওঁ ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদ পাইছিলগৈ।

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া




**উত্তৰ দিয়া।**

(ক) চিপাহীকেইজনে দাঙিবলৈ চেষ্টা কৰা বস্তুটো কি?

(খ) চিপাহীকেইজনক আদেশ দি থকা ব্যক্তিজন কোন?

(গ) অৱশেষত চিপাহীকেইজনক সহায় কৰিবলৈ কোন আগবাঢ়ি আহিল?

(ঘ) প্ৰধান সেনাপতিজনৰ নাম কি?

(ঙ) প্ৰধান সেনাপতিজনে পিছলৈ কি পদত অধিষ্ঠিত হয়?

কোনে, কাক কৈছিল?

(ক) "ধৰ ধৰ, পাৰিবি, উঠিল, দে দে, বল দে।"

(খ) "চিপাহীকেইজনে চতিটো তুলিব পৰা নাই। আপুনি অলপ হাত-উজান দিলেই দেখোন চতিটো ওপৰলৈ উঠে।"

**পাঠত থকা ধৰণে দফাটো সম্পূৰ্ণ কৰোঁ আহা**

ঘোঁৰাত উঠি থকা মানুহজনে কিছুপৰ ____________ চাই থাকিল। ____________ ____________ আকৌ আদেশ দিলে— "পাৰিবিহঁক, দে বল দে, এই ____________।" ____________ কি হ'ব, চিপাহীকেইজনৰ ____________ আঁটিলেহে ; তেওঁলোকে চতিটো ____________ বাৰে বাৰে ____________ কৰি ____________ হৈ পৰিল।

**তলৰ শব্দবোৰ পঢ়া । দলত আলোচনা কৰি শব্দবোৰৰ অৰ্থ লিখা।**

| | | | | | |
|---|---|---|---|---|---|
| থমকি | | চেষ্টা | | লজ্জিত | |
| উজান | | হুঁটা | | সক্ষম | |
| প্ৰধান | | শংকিত | | ভেম | |

**উদাহৰণত দিয়া 'ং'-যুক্ত শব্দটো পঢ়া। দলত আলোচনা কৰি তেনে আৰু পাঁচটা 'ং'-যুক্ত শব্দ লিখা। উদাহৰণ — সংকেত**

........................ ........................ ........................

........................ ........................

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

### জানো আহা

**তেওঁ ঘোঁৰাৰ পৰা নামি টুপীটো আৰু চোলাটো সোলোকাই থ'লে।**

*পাঠত থকা এই দীঘলীয়া বাক্যটো আমি সৰু সৰু বাক্যত ভাগ কৰিব পাৰোঁ।*



যেনে - (১) তেওঁ ঘোঁৰাৰ পৰা নামিল।
(২) তেওঁ টুপীটো খুলি থ'লে।
(৩) তেওঁ চোলাটো সোলোকাই থ'লে।

এনে ধৰণে দীঘল বাক্যৰ পৰা সৰু সৰু বাক্য লিখিব পাৰি,আকৌ সৰু সৰু বাক্য কিছুমান একে লগ কৰি এটা দীঘল বাক্য লিখিব পাৰি। বাক্য গঠনৰ এনে কথাবোৰ তোমালোকে পাছলৈ ভালদৰে জানিব পাৰিবাহঁক।

**ফুলৰ পাহিত থকা শব্দৰে বাক্যকেইটা সম্পূৰ্ণ কৰা।**




(ক) মনোজে ———————— মোনাটো দাঙি নিছে।

(খ) মোৰ পলম হ'ল,———— নধৰিব।

(গ) ৰাইজে ———————— দিয়াত কামটো সহজে সমাধা হল।

## গ — জ্ঞান সম্প্ৰসাৰণ

**শুদ্ধ যুক্তাক্ষৰটোত (✓) চিন দিয়া।**

| | | | |
|---|---|---|---|
| প + ত | = | প্ত | ত্প |
| ক + ত | = | ক্ট | ক্ত |
| ন + ত | = | ন্ত | ত্ন |



☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

কি কি আখৰ যোগ হৈ যুক্তাক্ষৰটো গঠন হৈছে ভাঙি লিখা।

| | | | |
|---|---|---|---|
| প্ল — | + | দ্দ — | + |
| ক্ল — | + | হ্ন — | + |

পঢ়া আৰু লিখা।

| | | | | | |
|---|---|---|---|---|---|
| দীপ্ত | দী...... | বিপ্লৱ | বি.......ৱ | উত্তৰ | উ.......ৰ |
| ৰক্ত | ৰ ........ | পঞ্জাব | প......ব | অন্ত | অ....... |

সৰুৰে পৰা সকলোৱে ভাল হোৱাৰ হাবিয়াস কৰে। জৰ্জ ৱাছিংটনে তেনে হাবিয়াস কৰি একাগ্ৰতা আৰু পৰিশ্ৰমৰ বলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হৈছিলগৈ। এই কথাযাৰৰ আলমত —

এতিয়া ভাবা আৰু কোৱা।

(ক) তুমি ভৱিষ্যতলৈ কি হোৱাৰ ইচ্ছা কৰা?

(খ) তোমাৰ সেই ইচ্ছা পূৰ কৰিবলৈ এতিয়াৰে পৰা কি কি কৰিব লাগিব?

দফাটো পঢ়ি তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।

তোমালোকে বাৰু ঘৰুৱা কাম-বনবোৰ কৰানে? ঘৰুৱা কাম মানে ঘৰ সৰা, বিছনা পৰা, দুৱাৰ-খিৰিকী খোলা, নিজৰ কাপোৰ আৰু নিজৰ খোৱা বাচন নিজে ধোৱা ইত্যাদি। মহাত্মা গান্ধীয়েও নিজৰ ঘৰ নিজে সাৰিছিল, জোতা পলিচ কৰি লৈছিল। আনকি নিজৰ শৌচাগাৰ নিজে চাফা কৰিছিল। তেওঁ যঁতৰত সূতা কাটি কাপোৰ বৈ লৈছিল। তেওঁৰ দৰে আমিও সৰুৰে পৰা নিজৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰিব লাগে।



(ক) ঘৰুৱা কাম-বনবোৰ কি কি?

(খ) তোমালোকৰ ঘৰুৱা কাম কোনে কৰে?

(গ) তুমি ঘৰত কি কি কাম কৰা?

(ঘ) তুমি ঘৰ চাফা কৰিবলৈ কি কি সঁজুলি ব্যৱহাৰ কৰা?

(ঙ) মহাত্মা গান্ধীয়ে নিজে কৰা কামবোৰ কি কি?

☛ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

ছবিকেইখন চোৱা আৰু কোৱা।





কোনে কি কৰিছে কোৱা।



মানুহজনে কি কৰি আছে?



বনুৱাজনে মূৰত কি কঢ়িয়াইছে



মানুহ দুজনে কি ঠেলিছে?



মানুহজনীয়ে কি কাম কৰিছে?

— তুমি কি কি কাম কৰি ভালপোৱা?

— বিদ্যালয়ত তোমালোকে কি কি কাম কৰা? কোৱা আৰু লিখা।

### ঘ— প্ৰকল্প

এতিয়ালৈকে পোৱা তোমাৰ চিনাকি যুক্তাক্ষৰবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*